**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিধানসভা নিৰ্বাচনলৈ মাজত ১১ দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি গুৱাহাটীৰ চাৰিওটা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। শ্ৰীশ্বাহে কাইলৈ নলবাৰী জিলাৰ চামতাত এখন নিৰ্বাচনী সভাত অংশ ল'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বঙাইগাঁৱত মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়।

ইফালে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিজনী আৰু তামুলপুৰত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজয় সংকল্প সভাত ভাগ লয়।

বাইট - মুখ্যমন্ত্ৰী

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনো কাইলৈ আৰু পৰহিলৈ প্ৰচাৰ চলাবলৈ অসমলৈ আহিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১, ৫ আৰু ৬ এপ্ৰিলত দলৰ হৈ ৰাজ্যৰ বিভিন্ন অংশত প্ৰচাৰ চলাব।

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে তিতাবৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লয়।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কাইলৈ লখিমপুৰত প্ৰচাৰ অভিযান চলাব। অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

ooooo

সমাগত নিৰ্বাচনৰ সময়ছোৱাত নগাঁও জিলাৰ আইন শৃংখলা পৰিস্থিতি কোনো কাৰণতে বিঘ্নিত নহয় সেই উদ্দেশ্যে আজি জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতীম দাসে চামুগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত সমষ্টিটোৰ লৰিমুখ অঞ্চলত জিলা আয়ুক্তগৰাকীয়ে স্থানীয় লোকৰ সৈতে মত বিনিময় কৰে। নিৰ্বাচনী প্ৰক্ৰিয়াটো শান্তিপূৰ্ণ আৰু আইনসংগতভাৱে অনুষ্ঠিত কৰিবলৈ তেওঁ ৰাইজৰ পৰা সক্ৰিয় সহযোগিতা কামনা কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩২ সংখ্যক খণ্ড। এই

অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ উলুকুঞ্চিত আজি ব্ৰজপাতৰ ফলত এজন লোকৰ থিতাতে মৃত্যু হয়। বিগত কিছুদিন ধৰি অঞ্চলটোত  বিদ্যুৎ সংযোগ নথকা বাবে টনি মাডাৰ নামৰ ৩১ বছৰীয়া ব্যক্তিজনে নিজৰ মোবাইলটো হাতত লৈ সৌৰশক্তিৰ জৰিয়তে চাৰ্জ কৰি আছিল। সেই সময়তে বিজুলী ধেৰেকনীৰ লগতে ব্ৰজপাতৰ ফলত টনি মাডাৰৰ থিতাতে মৃত্যু হয়।

০০০০০

যোৰহাট জিলাৰ ৰজামৈদামৰ নিউ কলনিত সংঘটিত বিস্ফোৰণত নিহতৰ সংখ্যা দুজনলৈ বৃদ্ধি হৈছে। ঘটনাস্থলীত নুৰ মহম্মদ নামৰ লোকজন নিহত হোৱাৰ লগতে চিকিৎসালয়লৈ নিয়াৰ পথত তেওঁৰ ৮ বছৰীয়া কন্যা সন্তানৰ মৃত্যু হয়। ঘটনাত গুৰুতৰভাৱে আহত এটি ৭ বছৰীয়া শিশুক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত বিস্ফোৰণৰ কাৰণ নিশ্চিত হোৱা নাই।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণৰ উদ্বোধনী খেলখনত চানৰাইজাৰ্ছ হায়দৰাবাদে-ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক জয়ৰ বাবে ২০২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত উদ্বোধনী খেলখনত  টছত জিকি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চানৰাইজাৰ্ছ হায়দৰাবাদক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। নিৰ্ধাৰিত ২০ অভাৰত চানৰাইজাৰ্ছ হায়দৰাবাদে ৯ টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ